**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়পক্ষৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। এইবাৰ পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি আৰু অগপই বুজাবুজিৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰপেটা জিলাৰ অন্তৰ্গত পৰিষদসমূহত আসন বুজাবুজিৰ বাবে আজি বিজেপি আৰু অগপৰ নেতাসকলৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ পাছত এখন সংবাদমেলত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয়, যে বৰপেটা বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ ভিতৰত পাকা আৰু বহৰীত বিজেপিয়ে আৰু সুন্দৰীদিয়া আৰু সৰুক্ষেত্ৰী সমষ্টিত অসম গণ পৰিষদে প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ভৱানীপুৰ আৰু সৰুপেটা জিলা পৰিষদত অগপই আৰু বৰনগৰ আৰু হাউলী জিলা পৰিষদত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। বজালী জিলাৰ দক্ষিণ আৰু পশ্চিম বজালীত অসম গণ পৰিষদে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি উল্লেখ কৰি শ্ৰীদাসে বিজেপিয়ে উত্তৰ আৰু মধ্য বজালীত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জানিবলৈ দিয়ে।

সমাগত পঞ্চায়ত নিৰ্বাচনত ৰঙিয়া বিধানসভা সমষ্টিত বিজেপিয়ে মিত্ৰতাৰ ধৰ্ম পালন কৰি বুজাবুজিৰে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ৰঙিয়া সমষ্টিৰ বিজেপিৰ বিধায়ক ভবেশ কলিতাই প্ৰকাশ কৰিছে। বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ২৫ খন পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদত বিজেপিৰ সৈতে মিত্ৰদলসমূহে বুজাবুজিৰ মাজেৰে আসনৰ ভাগ-বটোৱাৰা কৰিব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিছে।

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ সংকল্প পত্ৰৰ বাবে ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই জনসাধাৰণক ই-মেইল, হোৱাটছএপ অথবা লিখিতভাৱে তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ পোনপটীয়াকৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। জনসাধাৰণে panchayatsankalpatra@gmail.com অথবা ৯১০১৬ ৬৪৫৯৩ নম্বৰত হোৱাটছএপ যোগে তেওঁলোকৰ পৰামৰ্শসমূহ অহা ১০ এপ্ৰিলৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব।

ইপিনে পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি শোণিতপুৰ জিলাৰ তেজপুৰ, ৰঙাপাৰা আৰু বৰচলা বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে। সেই অনুসৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত প'ষ্টেল বেলট পেপাৰ, ই ডি চি কোষ আৰু ড্ৰপ বক্স সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে।

ডিব্ৰুগড় জিলাতো পঞ্চায়ত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে আজি নন্দলাল বৰগোহাঁই চিটী মহাবিদ্যালয়ত জ'নেল আৰু ছেক্টৰ বিষয়াসকলৰ খণ্ড আৰু পথ পৰিকল্পনা, নিৰ্বাচন প্ৰক্ৰিয়া তথা বেলট বাকচৰ সন্দৰ্ভত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনত অহা ২ মে'ত ২২ খন জিলা পৰিষদ, ৭ খন আঞ্চলিক পঞ্চায়ত আৰু ৯৩ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯৩০টা ৱাৰ্ডৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

oooooo

সমাগত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া কোনো প্ৰাৰ্থীয়ে ফৌজদাৰী গোচৰত অভিযুক্ত হ'ব নোৱাৰিব বুলি শেহতীয়াকৈ ৰাজ্যিক নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনাত উল্লেখ কৰিছে। কোনো প্ৰাৰ্থীৰ বিৰুদ্ধে দুবছৰ বা ততোধিক কাৰাবাস খাটিব লগীয়া কোনো অভিযোগ থাকিব নোৱাৰিব বুলিও অধিসূচনাত কোৱা হৈছে। তদুপৰি লোকসভা

আৰু বিধানসভা নিৰ্বাচনৰ দৰে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়েও নিজৰ স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ হিচাপ দাখিল কৰিব লাগিব। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ অৰ্হতা সন্দৰ্ভত শেহতীয়াকৈ নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰিছিল। এই অনুসৰি মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীসকলে নিজৰ সম্পত্তিৰ হিচাপৰ শপতনামা জমা দিব লাগিব। কোনো প্ৰাৰ্থী বা প্ৰাৰ্থীগৰাকীৰ পত্নীয়ে বাল্য বিবাহ আইন, ২০০৬ ভংগ কৰিব নোৱাৰিব। একেদৰে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ তলত হ'ব নোৱাৰিব বুলিও কোৱা হৈছে। প্ৰতিগৰাকী প্ৰাৰ্থীৰ বাসগৃহত অনাময় শৌচাগাৰ থাকিব লাগিব। তদুপৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোনো প্ৰাৰ্থীৰ দুটাতকৈ অধিক সন্তান থাকিব নোৱাৰিব বুলি কোৱা হৈছে। গাঁও পঞ্চায়তৰ সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা দশম শ্ৰেণীত অধ্যয়ন কৰা হ'ব লাগিব। একেদৰে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা হ'ব লাগিব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে। এই নিৰ্বাচনত জিলা পৰিষদৰ সদস্যই ১০ লাখ, আঞ্চলিক পঞ্চায়তৰ সদস্যই আঢ়ৈ লাখ আৰু গাঁও পঞ্চায়তৰ সদস্যই ২৫ হাজাৰ টকা পৰ্যন্ত ব্যয় কৰিব পাৰিব বুলি আয়োগে অধিসূচনাত উল্লেখ কৰিছে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা আৰ্হি কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত ৰাজ্যখনৰ এহেজাৰ ৫০০ খন মাধ্যমিক বিদ্যালয়ত চলি থকা দক্ষতা বিকাশৰ পাঠ্যক্ৰমৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা বৈঠকত বিভিন্ন দক্ষতা পৰিষদে দিয়া পৰামৰ্শ অনুসৰি শিক্ষানুষ্ঠানৰ আদৰ্শ পাঠ্যক্ৰমত দক্ষতাৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে চলিত বছৰৰ পৰাই মাধ্যমিক পাঠ্যক্ৰম দক্ষতা বিকাশৰ শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে বিদ্যায়তনিক নীতি-নিৰ্দেশনাৰ সংস্কাৰ সাধন কৰি ছাত্ৰ-ছাত্ৰীয়ে বাচনি কৰিব পৰাকৈ বিভিন্ন দক্ষতা বিকাশৰ পাঠ্যক্ৰম ৰখাৰ ব্যৱস্থা কৰিছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে। প্ৰশিক্ষিত ব্যক্তিৰ দ্বাৰা আৰু অন্য শিক্ষানুষ্ঠানসমূহৰ সহযোগিতাত এই পাঠ্যক্ৰমসমূহৰ শিক্ষা প্ৰদান কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি সমগ্ৰ শিক্ষা অসমৰ শিক্ষা সেঁতু এপৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

০০০০০০০

বাৰিষাৰ সময়ত সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে কাৰ্যপন্থা যুগুত কৰিবলৈ আজি ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়াবৰ্গৰ লগতে এন ডি আৰ এফ, এছ ডি আৰ এফ, অসামৰিক প্ৰতিৰক্ষা, সেনা বাহিনী, ভাৰতীয় খাদ্য নিগমকে ধৰি বিভিন্ন বিভাগ আৰু সংস্থাৰ প্ৰতিনিধি উপস্থিত থাকে। বৈঠকখনত বাৰিষাৰ সময়ছোৱাত বান পৰিস্থিতিৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ বাবে আগতীয়াকৈ সাজু হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰী শ্ৰী মহন্তই বান ব্যৱস্থাপনাৰ সৈতে জড়িত প্ৰতিটো বিভাগক নিজৰ দায়িত্বসমূহ পালনৰ বাবে আগতীয়াকৈ প্ৰস্তুত হ'বলৈ পৰামৰ্শ দিয়ে।

০০০০০০০

**সমাপ্ত**